**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-06-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## HEADLINES

১। জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে ইটালীলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কেইবাখনো দেশৰ নেতাৰ সৈতে বিভিন্ন বিষয়ৰ আলোচনা।

২। ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট সৌৰশক্তি উৎপাদন সম্ভৱ হ'ব বুলি  মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নামৰূপত নতুন সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰকাশ।

৩। আজি বিশ্ব ৰক্তদাতা দিৱস। দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন জিলাত এই দিৱস পালন।

*আৰু*

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ খেলত পাপুৱা নিউগিনিৰ বিৰুদ্ধে আফগানিস্তানৰ আৰু ওমানৰ বিৰুদ্ধে ইংলেণ্ডৰ জয়লাভ।  আনখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ আয়াৰলেণ্ডৰ মুখামুখি।

০০০০০০

ইটালীৰ অপুলীয়াত অনুষ্ঠিত জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি কেইবাখনো দেশৰ নেতাৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। শ্ৰী মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ক সাক্ষাৎ কৰি  প্ৰতিৰক্ষা, পাৰমাণৱিক, মহাকাশ শিক্ষা, জলবায়ু পৰিৱৰ্তন আদি বিভিন্ন বিষয় সম্পৰ্কত আলোচনা কৰে। আলোচনাকালত দুয়োগৰাকী নেতাই মেক ইন্ ইণ্ডিয়া উদ্যমত বিশেষ গুৰুত্ব আৰোপ কৰে।  প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীক আসন্ন পেৰিছ অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়া মহোৎসৱৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

তদুপৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী ঋষি চুনাককো সাক্ষাৎ কৰে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে এন ডি এ চৰকাৰৰ তৃতীয় কাৰ্যকালত ভাৰত-ব্ৰিটেইন সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতিৰ বিষয়ে দোহাৰে।

শ্ৰী মোদীয়ে লগতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেন্স্কিকো সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা চলায় আৰু ইউক্ৰেইনৰ পৰিস্থিতিৰ বিষয়ে মত বিনিময় কৰে। সাক্ষাৎ কালত ভাৰতে আলোচনা আৰু কূটনীতিৰ মাধ্যমেৰে এই সংঘৰ্ষৰ শান্তিপূৰ্ণ সমাধানৰ বাবে প্ৰয়াস অব্যাহত ৰাখিব বুলি শ্ৰী মোদীয়ে কয়।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি নামৰূপ তাপ বিদ্যুৎ প্ৰকল্পৰ সমীপত ২৫ মেগাৱাট ক্ষমতাসম্পন্ন নতুন সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰকল্পটো ১০৮ একৰ মাটি সামৰি স্থাপন কৰা হ'ব বুলি

ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পটোৰ বাবে ১১৬ কোটি টকা ৰাজ্য চৰকাৰে ব্যয় কৰিব। প্ৰকল্পটো নিৰ্মাণ কৰোতে ৰাজ্য চৰকাৰৰ লগতে অইল ইণ্ডিয়া লিমিটেডেও সমপৰিমাণৰ ধন ব্যয় কৰিব বুলি তেওঁ কয়। ড০ শৰ্মাই কয় যে, ৰাজ্যত বৰ্তমান সৌৰশক্তি উৎপাদনৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিয়া হৈছে। শীঘ্ৰেই কাৰ্বি আংলঙত এহেজাৰ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ২০৩০ চনৰ ভিতৰত ৰাজ্যত ৩ হাজাৰ মেগাৱাট পৰিমাণৰ সৌৰশক্তিৰ উৎপাদন সম্ভৱ হৈ উঠিব বুলি তেওঁ আশা প্ৰকাশ কৰে। ভাষণ প্ৰসংগত ড০ শৰ্মাই প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনিখনৰ বিষয়ে ইতিবাচক দিশসমূহৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে নিৰ্বাচনী প্ৰতিশ্ৰুতি অনুসৰি চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণৰ উদ্দেশ্যে ইতিমধ্যে কাম-কাজ আৰম্ভ কৰিছে। তেওঁ এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ বিষয়ে উনুকিয়াই। তেওঁ কয় যে এই আঁচনিৰ অধীনত যুৱক-যুৱতীসককলক ১ লাখ টকাৰ ঋণ তথা ১ লাখ টকাৰ ৰাজসাহাৰ্য প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰে। ড০ শৰ্মাই কয় যে, এইবাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰা যুৱতীসকলক ১০ হাজাৰ, চাৰে ১২ হাজাৰ আৰু ২৫ হাজাৰ টকাকৈ বৃত্তি প্ৰদান কৰা হ'ব। এই ধন তেওঁলোকৰ বেংক একাউণ্টত মাহিলী কিস্তি হিচাপে প্ৰদান কৰা হ'ব। নিৰ্বাচনৰ পূৰ্বে দিয়া সকলো প্ৰতিশ্ৰুতি পালন কৰা হ'ব বুলি তেওঁ জনসাধাৰণক আশ্বাস দিয়ে।

০০০০০০

দৈনন্দিন জীৱনশৈলী সুস্থ আৰু সুন্দৰ কৰি তোলাৰ বাবে যোগাভ্যাসৰ গুৰুত্ব সমগ্ৰ বিশ্বৰ জনসাধাৰণে উপলব্ধি কৰিছে। ২০১৪ চনত ৰাষ্ট্ৰসংঘত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণত এই বিষয়ে উত্থাপন কৰাৰ পাছতেই ২০১৫ চনৰ ২১ জুনৰ পৰা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰস্তাৱ মৰ্মে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন আৰম্ভ কৰা হয়। বিশ্বৰ বিভিন্ন দেশে যোগৰ উপকাৰিতাক মান্যতা দিয়াৰ ফলত আন্তঃৰাষ্ট্ৰীয় স্তৰত যোগৰ গুৰুত্ব অধিক বৃদ্ধি পাইছে। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ যোগ প্ৰশিক্ষক ৰিতুৰাজ বৰুৱাই এইদৰে কয়-

-ভইচ কাষ্ট-

ইফালে দেশৰ অন্যান্য ঠাইৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। তামুলপুৰ জিলাৰ তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কাইলৈ এখন জিলা পৰ্যায়ৰ যোগাভ্যাস প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা মুঠ ৪টা শাখাত ্নুষ্ঠিত হ'ব। ১০ বছৰ বয়সলৈ প্ৰথম শাখা, ১০ৰ পৰা ১৮ বছৰলৈ দ্বিতীয় শাখা, ১৮ৰ পৰা ৩৫ বছৰলৈ তৃতীয় শাখা আৰু ৩৫ বছৰৰ ওপৰৰ লোকসকলে চতুৰ্থ শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰিব। বিজয়ীসকলক অহা ২১ জুনত হ'বলগীয়া তামুলপুৰ জিলাভিত্তিক আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ দিনা প্ৰমাণ পত্ৰ আৰু বঁটাৰে পুৰস্কৃত কৰা হ'ব। যোৰহাট চিকিৎসা মহাবিদ্যালয় তথা চিকিৎসালয়ৰ কৰ্মচাৰীসকলে আজি বিভিন্ন যোগাসন প্ৰদৰ্শন কৰে। চিকিৎসালয়খনৰ ফিজিঅ'ল'জী বিভাগৰ মুৰব্বী ড০ গীতা বৰুৱাৰ তত্বাৱধানত এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিশ্ববিদ্যালয় আৰু গুৱাহাটীৰ ভাৰতীয় যোগাভ্যাস সংস্কৃতি তথা যোগ থেৰাপী কেন্দ্ৰৰ যৌথ উদ্যোগত এই কাৰ্যসূচী অনুষ্ঠিত হয়। ইপিনে, ঢেকিয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত চিৰাজুলিৰ কস্তুৰবা গান্ধী বালিকা বিদ্যালয়ত সমাগত যোগ দিৱস উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় আয়ুষ মিছন অসমৰ উদ্যোগত তথা শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত অনুষ্ঠিত এই যোগাভ্যাস কাৰ্যসূচীত গুৱাহাটীৰ আৰ্ট অৱ লিভিং ফাউণ্ডেশ্যনৰ যোগ প্ৰশিক্ষক ব্ৰহ্মচাৰী মাধৱানন্দই প্ৰশিক্ষণ

প্ৰদান কৰে। যোগাভ্যাসৰ অন্তত অসম ৰাজ্যিক পাঠ্যপুথি প্ৰকাশন আৰু প্ৰণয়ন নিগমৰ উপাধ্যক্ষগৰাকীয়ে যোগাভ্যাসৰ উপকাৰিতা সন্দৰ্ভত বিভিন্ন বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক এই সন্দৰ্ভত পৰামৰ্শ আগবঢ়ায়।

০০০০০০

ৰাজ্যিক পশুধন আৰু হাঁহ কুকুৰা নিগমৰ উদ্যোগত আজি দুদিনীয়া কাৰ্যসূচীৰে পশুপালন সম্পৰ্কীয় এখন কৰ্মশালা আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দুই শতাধিক যুৱক-যুৱতীয়ে এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছে। অনুষ্ঠানত নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই ভাষণ প্ৰসংগত পশুপালন বৃত্তি সাম্প্ৰতিক সময়ৰ এক লাভজনক বৃত্তি বুলি উল্লেখ কৰি পশুপালনৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰি তুলিব বুলি মত প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে যুৱক-যুৱতীসকলক পশুপালনৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ হোৱাৰ অনুৰোধ জনোৱাৰ লগতে এই ক্ষেত্ৰত সম্ভাব্য সকলো সাহাৰ্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। ৰাজ্যিক পশুধন আৰু হাঁহ-কুকুৰা নিগমে ২০২২-২৩ বিত্তীয় বৰ্ষৰ পৰা ধাৰাবাহিকভাৱে লাভান্বিত হৈ আহিছে বুলি নিগমৰ অধ্যক্ষগৰাকীয়ে আজি প্ৰকাশ কৰে। তেওঁ কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু পশুপালন তথা পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত নিগমৰ মূল লক্ষ্য ৰূপায়ণত সফল হোৱা বুলি তেওঁ উল্লেখ কৰে। ২০২২-২৩ বিত্তীয় বৰ্ষত নিগমৰ ৬২ লাখতকৈও অধিক টকা লাভ হোৱা বুলি তেওঁ সদৰী কৰে। তেওঁ কয় যে নিগমে প্ৰায় বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰা ২৩ হাজাৰ যুৱক-যুৱতীৰ ভিতৰত ১১ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে ৰাজসাহাৰ্য লাভ কৰি স্বাৱলম্বী হ'বলৈ সক্ষম হৈছে। অধ্যক্ষগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীৰ ধ্বজাবাহিনী আঁচনিয়ে যুৱক-যুৱতীসকলক আকৰ্ষিত কৰিছে। নিগমৰ পূৰ্বৰ প্ৰকল্পসমূহৰ লগতে শেহতীয়াকৈ খানাপাৰাৰ শীতলীকৰণ ভঁৰাল আৰু মাংসৰ আধুনিক পদ্ধতিৰে বিক্ৰীকেন্দ্ৰ কাৰ্যক্ষম কৰি তোলা হৈছে বুলিও তেওঁ সদৰী কৰে।

০০০০০০

অসম উদ্যান শস্য পালন সমাজে আজি গুৱাহাটীৰ খানাপাৰা কৃষি সঞ্চালকালয়ত বহনক্ষম বিকাশৰ বাবে যিকোনো জলবায়ুত বৰ্তি থাকিব পৰা উদ্যান শস্য সন্দৰ্ভত ৰাজ্যিক পৰ্যায়ৰ এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। উদ্যান শস্য আৰু খাদ্য সংশাধন সঞ্চালকালয়ৰ উদ্যোগত কৃষি বিজ্ঞান কেন্দ্ৰ তথা অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজিত এই অনুষ্ঠানত জলবায়ু পৰিৱৰ্তন আৰু অসমৰ উদ্যান শস্যত ইয়াৰ প্ৰভাৱ, সমস্যা আৰু প্ৰস্তুতি, উদ্যান শস্যভিত্তিক জৈৱিক তথা প্ৰাকৃতিক কৃষি উদ্যান শস্যসমূহৰ সুৰক্ষাকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়। আলোচনা চক্ৰখনত কৃষি বিভাগৰ সচিব তথা সঞ্চালক ভাস্কৰ পেগু, উদ্যান শস্য আৰু খাদ্য সংশাধন বিভাগৰ সচিব তথা সঞ্চালক টি পি ভূষালৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ কেইবাগৰাকী বিজ্ঞানীকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

০০০০০০

আজি বিশ্ব ৰক্তদাতা দিৱস। দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো এই দিৱস পালন কৰা হৈছে। এই উপলক্ষে প্ৰদান কৰা শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, ৰক্তদান হৈছে মানুহৰ জীৱনৰ অন্যতম শ্ৰেষ্ঠ মহৎদান। এই দানে আন এজনৰ জীৱন ৰক্ষা কৰিব পাৰে। সেয়েহে তেওঁ ৰক্তদানৰ ইতিবাচক দিশসমূহ প্ৰচাৰ কৰি সমাজলৈ শুভবাৰ্তা প্ৰেৰণ কৰিবলৈ আহ্বান জনায়। ইফালে বিশ্ব ৰক্তদাতা দিৱস উপলক্ষে স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই আজি অসম ৰাজ্যিক ৰক্ত সংৰচন পৰিষদে আয়োজন কৰা ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ৰ ৰক্ত কেন্দ্ৰই ব্যৱস্থাপনা কৰা স্বেচ্ছামূলক ভ্ৰাম্যমাণ ৰক্তদান শিবিৰৰ শুভাৰম্ভ কৰে। এই শিবিৰত

স্বেচ্ছামূলকভাৱে ৰক্তদান কৰি সহানুভৱতাৰ নিদৰ্শন দেখুওৱা শ্ৰেষ্ঠ ৰক্তদাতাসকল, প্ৰতিৰক্ষা বাহিনী আৰু কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী বিষয়া-জোৱানসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বিশ্ব ৰক্তদাতা দিৱসৰ লগত সংগতি মৰিগাঁও অসামৰিক চিকিৎসালয়ত আজি ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। ৰক্তদাতাসকলক মৰিগাঁও জিলা আয়ুক্তই শুভেচ্ছা জ্ঞাপন কৰে।

আনহাতে বিশ্ব ৰক্তদাতা দিৱস বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পটালতো পালন কৰা হয়। চিকিৎসালয়খনৰ ব্লাড বেংকৰ উদ্যোগত ৰক্তদানৰ বিশেষ কাৰ্যসূচী সম্পন্ন হয়। চিকিৎসালয়খনত আজি ৫০ গৰাকী লোকৰ ৰক্ত গ্ৰহণ কৰা হয়। লগতে ৰক্তদান কৰা ব্যক্তিসকলক হাস্পটাল কৰ্তৃপক্ষই আদৰণিও জনায়।

গোৱালপাৰা অসামৰিক চিকিৎসালয়তো বিভিন্ন কাৰ্যসূচীৰে বিশ্ব ৰক্তদাতা দিৱস পাল কৰা হয়। এই উপলক্ষে গোৱালপাৰা অসামৰিক চিকিৎসালয় প্ৰাংগণৰ পৰা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। তদুপৰি চিকিৎসালয়খনত এটা ৰক্তদান শিবিৰৰো আয়োজন কৰা হয়।

যোৰহাট জিলাৰ যোৰহাট চিকিৎসা মহাবিদ্যালয়, লায়নছ্ ক্লাব, ৰেডক্ৰছ ছ'চাইটি আদিতো বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়।

শিৱসাগৰতো এখন ব্যক্তিগতখণ্ডৰ হাস্পটালত বিশ্ব ৰক্তদাতা দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত ৰক্তদান শিবিৰ জিলা সহকাৰী আয়ুক্তই মুকলি কৰে। আজিৰ শিবিৰটোত প্ৰায় ৫০ গৰাকী ব্যক্তিয়ে ৰক্তদান কৰে।

০০০০০০

দক্ষতা, নিয়োগ আৰু উদ্যমিতা তথা পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লই আজি পৰ্যটন বিভাগৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বৈঠকত বিভাগটোৰ বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা কৰা হোৱাৰ লগতে চলিত বিত্তীয় বৰ্ষৰ বাবে ল'বলগীয়া পদক্ষেপসমূহৰ পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ বিষয়াসকলৰ সৈতেও বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যজুৰি দক্ষ লোকসকলক বিচাৰি উলিওৱা সন্দৰ্ভত ল'বলগীয়া পদক্ষেপ সম্পৰ্কে আলোচনা কৰা হয়। চলিত বিত্তীয় বৰ্ষৰ বাবে পৰিকল্পনা, ধ্বজাবাহী কাৰ্যসূচী, অসম দক্ষতা বিকাশ অভিযানৰ প্ৰশিক্ষণমূলক পাঠ্যক্ৰম, নিয়োগ বিনিময় কেন্দ্ৰসমূহত নাম পঞ্জীয়নৰ সবিশেষ, আই টি আইসমূহৰ কাম-কাজকে ধৰি বৈঠকত বিভিন্ন বিষয় আলোচনা কৰা হয়।

০০০০০০

ৰাজ্যৰ বিশেষ টাস্ক ফ'ৰ্চে ড্ৰোণ আৰু বিভিন্ন সা-সৰঞ্জাম অবৈধভাৱে সৰবৰাহ কৰাৰ অভিযোগত আজি এজন সন্দেহযুক্ত মণিপুৰী যুৱকক গ্ৰেপ্তাৰ কৰে। নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা লাভ কৰা খবৰ অনুসৰি ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সোণাপুৰ টোলগে'টত এছ টি এফে যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ লগতে এখন বাহন জব্দ কৰে। অভিযানত দলটোৱে বাহনখনৰ পৰা ড্ৰোণকে ধৰি অন্যান্য কিছু অবৈধ সা-সৰঞ্জাম উদ্ধাৰ কৰে। উল্লেখযোগ্য যে মণিপুৰৰ এটা নিষিদ্ধ সংগঠনে অপৰাধমূলক কাম-কাজ সংঘটিত কৰাৰ উদ্দেশ্যে সা-সৰঞ্জাম ক্ৰয় কৰাৰ প্ৰচেষ্টা চলোৱা বুলি আৰক্ষীয়ে নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা তথ্য লাভ কৰিছিল। গুৱাহাটীৰ ছয়মাইল অঞ্চলত আৰক্ষীয়ে বাহনখন চিহ্নিত কৰি সোণাপুৰ টোলগেট'ত বাহনখন জব্দ কৰে। জব্দ হোৱা বাহনখনত যুৱকগৰাকীৰ সৈতে আন দুগৰাকী কিশোৰ থকাৰ বিষয়ে আৰক্ষীয়ে সদৰী কৰে। এই সন্দৰ্ভত অধিক অনুসন্ধান অব্যাহত আছে।

০০০০০০

তিনিচুকীয়া জিলাৰ অসামৰিক প্ৰতিৰক্ষা বিভাগে আজি জিলাখনৰ গুইজান উচ্চ মাধ্যমিক বিদ্যালয়ত **দুৰ্যোগ ব্যৱস্থাপনা আৰু উদ্ধাৰ** শীৰ্ষক প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণত বানপানীৰ সৈতে জড়িৰ বিভিন্ন দুৰ্যোগ কিদৰে প্ৰতিৰোধ কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হয়।

ইফালে কৰিমগঞ্জ জিলাৰ বদৰপুৰ চেণ্ট্ৰেল পাব্লিক স্কুলত অগ্নি আৰু জৰুৰীকালীন সেৱাৰ উদ্যোগত অগ্নি সুৰক্ষা সম্পৰ্কীয় আখৰাৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীত অগ্নি নিৰ্বাপক বাহিনীৰ সদস্যসকলৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয় জাৰ্মানীৰ টি ইউ ভি নৰ্ডৰ প্ৰমাণ পত্ৰ লাভ কৰাৰ লগতে এন এ বি চি বিৰ স্বীকৃতিসহ মান ব্যৱস্থাপনা প্ৰক্ৰিয়া আই এছ ও নাইন থাওজেণ্ড ৰান টু থাওজেণ্ড ফিফটিন প্ৰমাণ পত্ৰ লাভ কৰা দেশৰ প্ৰথমখন ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে, এন এ বি চি বি হৈছে ভাৰত চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ৰ উদ্যোগ তথা আভ্যন্তৰীণ বাণিজ্যৰ সংবৰ্দ্ধন বিভাগৰ অধীনৰ এটা স্বায়ত্ত শাসিত সংস্থা ।

০০০০০০

প্ৰখ্যাত সমাজকৰ্মী ধীৰেণ বৰুৱাৰ প্ৰথম মৃত্যুবাৰ্ষিকী উপলক্ষে পৰহিলৈ গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত দিনৰ ১০ বাজি ২০ মিনিটৰ পৰা গুৱাহাটী প্ৰাণ শীৰ্ষক বিশেষ অন্তৰংগ আলাপ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ধীৰেণ বৰুৱা সাংসদ হেম বৰুৱাৰ অন্যতম সহযোগী আছিল। গুৱাহাটী তেল শোধানাগাৰ, শৰাইঘাট দলং, উত্তৰ-পূব সীমান্ত ৰে'লৰ সদৰ কাৰ্যালয় স্থাপন আদি অসমৰ কেইবাটাও জাতীয় আন্দোলনৰ তেওঁ সক্ৰিয় অংশগ্ৰহণ কৰিছিল। প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা গুৱাহাটীৰ সমস্যা তথা সমাধানৰ বিষয়ে আগ্ৰহী ব্যক্তিসকলক guwahatipran@gmail.com ই-মেইললৈ লিখি পঠিয়াবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত ট্ৰিনিডাদৰ ব্ৰিয়ান লাৰা ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত আজি পুৱা আফগানিস্তানে পাপুৱা নিউগিনিক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত পাপুৱা নিউগিনিয়ে ১৯ দশমিক ৫ অভাৰত ৯৫ ৰান সংগ্ৰহ কৰাৰ বিপৰীতে আফগানিস্তানে ১৫ দশমিক ১ অভাৰত ৩টা উইকেট হেৰুৱাই ১০১ ৰান সংগ্ৰহ কৰে। আনহাতে আনখন খেলত ইংলেণ্ডে ওমানক ৮ উইকেটত পৰাস্ত কৰে। খেলখনত ওমানে ১৩ দশমিক ২ অভাৰত ৪৭ ৰান সংগ্ৰক কৰাৰ বিপৰীতে ইংলেণ্ডে ৩ দশমিক ১ অভাৰত দুটা উইকেট হেৰুৱাই ৫০ ৰান সংগ্ৰহ কৰে। আন খেল নিশা ৮ বজাত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আয়াৰলেণ্ডৰ মাজত অনুষ্ঠিত হ'ব। ইফালে কাইলৈ অনুষ্ঠিত হ'বলগীয়া এখন খেলত ভাৰত কানাডাৰ মুখামুখি হ'ব।

০০০০০০

ঃসমাপ্তঃ